# 2014

## ASSAMESE

( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) ''খালি উদৰে থৰি হাত নিৰেশিয়ে
দেখত বোলত বাণী।''

কবিতাংশ কোনগৰাকী কবিৰ ৰচনা?

(খ) ব্ৰজবুলি সাহিত্যৰ আধাৰ গ্ৰন্থ কি?

(গ) বিদ্যাপতিৰ জীৱন ক'ৰ ৰাজবংশৰ লগত অঙ্গাঙ্গীভাৱে জড়িত?

(ঘ) বিদ্যাপতি ৰচিত দুখন গ্ৰন্থৰ নাম লিখা।

(ঙ) 'ব্ৰজবুলি-গীতি-গুচ্ছ'ৰ সংকলক-সম্পাদক কোন?

(চ) ''সো গিৰিবৰধৰ    অনত চলল জব
তছু মিলন বহু দূৰ॥''

উল্লিখিত কবিতাংশৰ 'গিৰিবৰধৰ' শব্দই কি বুজাইছে?

(ছ) গোবিন্দ দাসক কোনে 'কবীন্দ্ৰ' বা 'কবিৰাজ' উপাধিৰে সন্মানিত কৰিছিল?

২। উত্তৰ লিখা : ২×৪=৮

(ক) শংকৰদেৱৰ 'মাথুৰ বিৰহ' গীতৰ দুটি ৰাগৰ নাম উল্লেখ কৰা।

(খ) বঙ্গদেশৰ ব্ৰজবুলি কাব্য-পৰম্পৰাৰ দুজন প্ৰধান কবিৰ নাম লিখা।

(গ) ৰায় ৰামানন্দ কোন দেশৰ কবি? তেওঁ কাৰ ৰাজকৰ্মচাৰী ৰূপে বিদ্যানগৰত ৰাজশাসন চলাইছিল?

(ঘ) ''জব নিশি বাহিৰে পয়ান।
শীকৰে নিকলে পৰাণ॥
দিনকৰ দিবস উপেখি।
অলিকুল কমলে না পেখি॥''

উল্লিখিত কবিতাংশ কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে আৰু কবিতাটোৰ কবি কোন?

৩। ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) শূন ভেল মন্দিৰ শূন ভেল নগৰী।
শূন ভেল দশ দিশ শূন ভেল সগৰি॥

(খ) আজু মথুৰা পুৰি মিলব মহোৎসব
মাধৱ সাধব মান।
গোকুলক মঙ্গল দুৰ গয়ো নাহি
বাজত বেণু বিষাণ॥

(গ) শূন্য ভৈল অঙ্গিনা বিৰিন্দা বিপিন।
না সোহে ৰয়নী জৈছে চান্দ-বিহীন॥

(ঘ) নিজগণ-বচন শ্ৰবণে নহি শুনলি
না বুঝি কয়লি তুহুঁ ৰোখে।
সো পৰতেখ সাখি মোহে মিলল
অতয়ে পাওসি এত দুখে॥

(ঙ) ঘন ঘন ঝন ঝন বজৰ নিপাত।
শুনইতে শ্ৰৱণ মৰম জৰি যাত॥

৪। (ক) ব্ৰজবুলি ভাষাৰ উৎপত্তি আৰু এই ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা কৰা। ৪+৬=১০

অথবা

ব্ৰজবুলি আৰু ব্ৰজভাষা সম্পৰ্কে তোমাৰ ধাৰণা কি? অসমৰ ব্ৰজবুলি সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰা। ৪+৬=১০

(খ) ''বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্তজীৱনৰ সৰ্বস্ব।'' 'চিৰন্তন মাতৃ'ৰ আধাৰত বিচাৰ কৰা। ১০

অথবা

তোমাৰ পাঠ্যক্ৰমত সন্নিবিষ্ট 'মাথুৰ বিৰহ' গীতকেইটিৰ এটি সমীক্ষা যুগুত কৰা।

(গ) নায়িকাৰ প্ৰকাৰভেদ উল্লেখ কৰি প্ৰোষিতভৰ্ত্তৃকা নায়িকা আৰু অভিসাৰিকা নায়িকা সম্পৰ্কে উদ্ধৃতিসহ আলোচনা কৰা। ২+৪+৪=১০

অথবা

ৰায় ৰামানন্দৰ চমু পৰিচয় দি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ৪+৬=১০

★★★